**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-02-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
***00000***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থানৰ আজমীৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে ১৬ হাজাৰ ৬৮০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা প্ৰকল্প উদ্বোধন তথা আধাৰশিলা স্থাপন কৰিব।

২। চলিত বিত্তীয় বৰ্ষৰ তৃতীয়টো ত্ৰিমাসিকত ভাৰতীয় অৰ্থনীতিয়ে ৭ দশমিক ৮ শতাংশ বিকাশ লাভ কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ উদ্বোধন কৰে।

৪। আফগানিস্তানে আজি পাকিস্তানৰ সেনাবাহিনীৰ ঘাটিক লক্ষ্য কৰি বিমানেৰে আক্ৰমণ কৰে।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ড, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থানৰ আজমীৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে ১৬ হাজাৰ ৬৮০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা প্ৰকল্প উদ্বোধন তথা আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ নগৰ উন্নয়ন, খোৱাপানী যোগান, পথ, জলসম্পদ, শক্তি, ঔদ্যোগিক আন্তঃগাঁথনি আদিৰ সৈতে জড়িত। প্ৰতিৰোধমূলক স্বাস্থ্য সেৱাক শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে কাইলৈ সমগ্ৰ দেশতে ১৪ বছৰীয়া কিশোৰীৰ বাবে এইছ্ পি ভি প্ৰতিষেধক অভিযান আৰম্ভ কৰিব। জৰায়ুৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প মুকলি কৰিব। ইয়াৰ লগতে সকলোৰে বাবে সুৰক্ষিত আৰু বিশুদ্ধ খোৱাপানী যোগান নিশ্চিত কৰাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰীয়ে কেইবাটাও পানী যোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰীয়ে ৰাজস্থানৰ বিভিন্ন চৰকাৰী বিভাগত নিযুক্তি লাভ কৰা ২১ হাজাৰ ৮০০ৰো অধিক যুৱক-যুৱতীক নিযুক্তিপত্ৰ বিতৰণ কৰিব।

ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে গুজৰাট ভ্ৰমণ কৰি ছানন্দত মাইক্ৰ'ন ছেমিকণ্ডাক্টৰ টেকনোলজী ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ ছেমিকণ্ডাক্টৰৰ প্ৰকল্প মুকলি কৰিব।

০০০০০০০

চলিত বিত্তীয় বৰ্ষৰ তৃতীয়টো ত্ৰিমাসিকত ভাৰতীয় অৰ্থনীতিয়ে ৭ দশমিক ৮ শতাংশ বিকাশ লাভ কৰিছে। বাস্তৱিক মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ ২০২৪-২৫ বৰ্ষৰ ৭ দশমিক ১ শতাংশৰ তুলনাত ২০২৫-২৬ বৰ্ষত ৭ দশমিক ৬ শতাংশ হ'ব বুলি আশা কৰা হৈছে। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে আজি ২০২২-২৩ বৰ্ষক ভিত্তিবৰ্ষ হিচাপে ধৰি লৈ বাৰ্ষিক আৰু ত্ৰিমাসিক আনুমানিক হিচাপৰ নতুন শৃংখলা আজি মুকলি কৰে। ২০১১-১২ বৰ্ষত ভিত্তিবৰ্ষ হিচাপে ধৰি লৈ প্ৰকাশ কৰা পূৰ্বৰ শৃংখলাৰ ঠাইত নতুন শৃংখলা প্ৰকাশ কৰা হৈছে। কোভিড মহামাৰীৰ পাছত স্বাভাৱিক বৰ্ষ হিচাপে ২০২২-২৩ বৰ্ষক ভিত্তিবৰ্ষ হিচাপে ধৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। চলিত বিত্তীয় বৰ্ষত সামগ্ৰিক আৰ্থিক প্ৰদৰ্শনৰ বাবে দ্বিতীয় ত্ৰিমাসিকত ৮ দশমিক ৪ শতাংশ আৰু তৃতীয় ত্ৰিমাসিকত ৭ দশমিক ৮ শতাংশ বৃদ্ধি হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা তিনিটা বিত্তীয় বৰ্ষত অৰ্থব্যৱস্থা সুদৃঢ় কৰাৰ ক্ষেত্ৰত নিৰ্মাণ খণ্ডৰ মুখ্য ভূমিকা আছে। ২০২৩-২৪ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত এই খণ্ডটোৱে দুটা অংকৰ বিকাশৰ হাৰ লাভ কৰিবলৈ সক্ষম হৈছে। চলিত বিত্তীয় বৰ্ষত দ্বিতীয়ক আৰু তৃতীয়ক খণ্ডই ৯ শতাংশৰো অধিক বিকাশৰ হাৰ লাভ কৰিবলৈ সক্ষম হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বাণিজ্য, হোটেল,

পৰিবহন, যোগাযোগ আৰু প্ৰচাৰকে ধৰি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত সেৱা খণ্ডই ২০২৫-২৬ বিত্তীয় বৰ্ষত ১০ দশমিক ১ শতাংশ হাৰত বিকাশ লাভ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰ্যালয়ৰ অধীনৰ  অন্তৰ্দেশীয় জলপথ প্ৰাধীকৰণৰ উদ্যোগত অসমৰ ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ডিব্ৰুগড় চহৰৰ মাজমজিয়াত নতুন ৰূপত নিৰ্মাণ কৰা ঐতিহ্য ভৱনটোও মুকলি কৰে। এই উপলক্ষে আজি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত আয়োজিত অনুষ্ঠানত পৰিবহন মন্ত্ৰী চৰণ বড়ো, স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, বিমল বৰা, ৰূপেশ গোৱালাকে ধৰি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। শ্ৰীসোণোৱালে এই অনুষ্ঠানৰ পৰাই ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদো উদ্বোধন কৰে।  এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মণ্ডাভিয়াই আজি নতুন দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাত শ্ৰম সংহিতা আৰু অন্যান্য দিশ সম্পৰ্কে আয়োজিত পঞ্চম আঞ্চলিক সন্মিলনত অধ্যক্ষতা কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে শ্ৰম সংস্কাৰসমূহ আগবঢ়াই নিয়াত কেন্দ্ৰ আৰু ৰাজ্যসমূহ সমান অংশীদাৰ আৰু সকলোৱে একেলগে কাম কৰাত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে যোৱা বছৰৰ ২১ নৱেম্বৰৰ পৰা কাৰ্যকৰী হোৱা নতুন শ্ৰম সংহিতাক শ্ৰমিক আৰু উদ্যোগ উভয়ে আদৰণি জনাইছে। তেওঁ কয় যে দেশৰ এই সংস্কাৰ প্ৰচেষ্টাই আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা আৰু আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থাৰ দৰেই আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ পৰা স্বীকৃতি লাভ কৰিছে। ড০ মাণ্ডাভিয়াই লগতে চৰকাৰৰ এক্ট ইষ্ট নীতিৰ দৃষ্টিভংগীৰে নিৰ্মাণ কাৰ্য সম্প্ৰসাৰণ তথা কৰ্মসংস্থাপন সৃষ্টিত উৎসাহিত কৰি ঔদ্যোগিক উন্নয়নক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সামৰ্থ্যৰ বিষয়েও উল্লেখ কৰে। দুদিনীয়া এই সন্মিলন বিভিন্ন নীতি-নিয়মৰ লগতে বিভিন্ন বিষয় আলোচনাৰ মঞ্চ হিচাপে পৰিগণিত হয়।

০০০০০০০০০

আফগানিস্তানে আজি পাকিস্তানৰ সেনাবাহিনীৰ ঘাটিক লক্ষ্য কৰি বিমানেৰে আক্ৰমণ কৰে। পাকিস্তানে আফগানিস্তানক লক্ষ্য কৰি চলোৱা আক্ৰমণৰ প্ৰত্যুত্তৰত আফগানিস্তানে এই আক্ৰমণ চলায়। তালিবানৰ উপ-মুখপাত্ৰ হামদুল্লাহ ফিটৰটে কয় যে আফগানিস্তানৰ বিমান বাহিনীয়ে পাকিস্তানৰ ইছলামাবাদ, নৌচেৰা, জামৰুদ আৰু এবটাবাদ আজি পুৱা সেনাবাহিনীৰ ছাউনী, শিবিৰ, আবাসস্থলীক লক্ষ্য কৰি আক্ৰমণ চলায়। আজি পুৱা পাকিস্তানে কাবুল, কান্দাহাৰ আৰু পাকটিয়া প্ৰদেশত বিমানেৰে আক্ৰমণ চলায়। ইপিনে, তালিবানৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে তেওঁলোকে ১৯ টা পাকিস্তানী সামৰিক ঘাটি অধিকাৰ কৰিছে আৰু ৫৫ জন পাকিস্তানী সেনাৰ মৃত্যু হৈছে। ইপিনে, ৮গৰাকী আফগানিস্তানৰ জোৱান নিহত হোৱাৰ বিপৰীতে ১১গৰাকী আহত হৈছে। কৃৰ্তৃপক্ষসমূহে জানিবলৈ দিয়া অনুসৰি এই আক্ৰমণত ১৩গৰাকী অসামৰিক লোক আঘাতপ্ৰাপ্ত হয়। পাকিস্তানে ইয়াৰ পূৰ্বে গজব লিল-হক অভিযান চলায়। পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আফগানিস্তানৰ বিৰুদ্ধে মুকলি যুদ্ধ ঘোষণা কৰে।

ইপিনে, যোৱানিশা আফগানিস্তানৰ বিৰুদ্ধে চলোৱা আক্ৰমণত কমেও ১৩৩ জন আফগান তালিবান যোদ্ধাৰ মৃত্যু হয় বুলি পাকিস্তানে দাবী কৰিছে। অৱশ্যে কোনো আন্তঃৰাষ্ট্ৰীয় সংস্থাই এই সংখ্যাসমূহৰ তথ্যৰ সত্যতা প্ৰমাণ কৰা নাই যদিও দুয়োখন দেশে বিস্তৰ ক্ষতি হোৱা বুলি দাবী কৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্ট'নিঅ' গুটেৰেছে দুয়োখন দেশক কুটনীতিৰ জৰিয়তে এই যুদ্ধৰ অৱসান ঘটাবলৈ আহ্বান জনাই ছে।

ইতিমধ্যে ইৰাণৰ বৈদেশিক মন্ত্ৰী ছৈয়দ আববাছ আৰাঘাচিয়ে কয় যে পাকিস্তান আৰু আফগানিস্তানৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে শান্তি আলোচনাৰ বাবে তেওঁলোকে সকলো ধৰণৰ সহযোগিতা আগবঢ়াবলৈ সাজু আছে। মস্কো মহলেও দুয়োখন দেশক কূটনৈতিকভাৱে তেওঁলোকৰ সমস্যা মীমাংসা কৰিবলৈ আহ্বান জনাইছে। ইতিমধ্যে পাকিস্তানে আফগানিস্তানক বিমানেৰে আক্ৰমণ কৰা ঘটনাক ভাৰতে গৰিহণা দিছে।

০০০০০০০০০

দিল্লী আবকাৰি নীতিৰ গোচৰৰ পৰা অৰবিন্দ কেজৰিৱাল দোষমুক্ত হোৱাৰ পাছত বিজেপিৰ মুখপাত্ৰ সুভাংশু ত্ৰিবেদীয়ে কয় যে নিম্ন আদালতে প্ৰয়োজনীয় প্ৰমাণৰ অভাৱত শ্ৰীকেজৰিৱাল আৰু আন অভিযুক্তসকলক দোষমুক্ত কৰে। তেওঁ কয় যে এই গোচৰৰ লগত জড়িত ভালেমান মোবাইল ফোন আৰু ছিম কাৰ্ড নষ্ট কৰা হয়। এই অভিযোগৰ পৰা দোষমুক্ত হোৱাৰ পাছত দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে কয় যে আদালতে সকলো ধৰণৰ অভিযোগৰ পৰা তেওঁলোকক মুক্ত কৰে। শ্ৰীকেজৰিৱালে কয় যে তেওঁ সৎ পথত আছিল আৰু সেয়ে সত্য উন্মোচিত হ'ল।

০০০০০০০০০

ভাৰত আৰু আমেৰিকাৰ অন্তৰৰ্তীকালীন বাণিজ্য চুক্তিত দেশৰ কৃষি খণ্ডৰ লগতে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া হৈছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। তেওঁ কয় যে কৃষক, দুগ্ধ উৎপাদন, হাঁহ-কুকুৰা পালন, মাছমৰীয়া, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, হস্ততাঁত আৰু সকলো শ্ৰমিক নিৰ্ভৰ খণ্ডৰ সৈতে জড়িত সংবেদনশীল বিষয়সমূহত গুৰুত্ব আৰোপ কৰা হৈছে। নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীগোৱেলে কয় যে এই চুক্তিয়ে দেশৰ স্পৰ্শকাতৰ খণ্ডসমূহৰ স্বাৰ্থক সুৰক্ষিত কৰিব। আন এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীগোৱেলে ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সময়ত কংগ্ৰেছ কৰ্মীসকলৰ প্ৰতিবাদ আৰু অশোভনীয় আচৰণক সমালোচনা কৰে।

০০০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ড নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই বাতৰি লিখাৰ পৰলৈকে নিউজিলেণ্ডে ৩ অভাৱত ১৭ ৰাণ কৰি খেলি আছে।

০০০০০০০০০

সমাপ্ত